**“মৰমৰ সন্তানসকল - ভগৱান তোমালোকৰ বন্ধু, ৰাৱণ শত্ৰু, সেয়েহে তোমালোকে ভগৱানক মৰম কৰা আৰু ৰাৱণক জ্বলোৱা”**

প্ৰশ্ন: কোনসকল সন্তানে অনেকৰ আশীৰ্বাদ স্বতঃ প্ৰাপ্ত কৰি থাকে?

উত্তৰ: যিসকল সন্তান স্মৃতিত থাকি নিজেও পৱিত্ৰ হয় আৰু আনকো নিজৰ সমান কৰি তোলে। তেওঁলোকে অনেকৰ আশীৰ্বাদ প্ৰাপ্ত কৰে, তেওঁলোকে বহুত উচ্চ পদ পায়। পিতাই তোমালোক সন্তানসকলক শ্ৰেষ্ঠ হোৱাৰ এটাই শ্ৰীমত দিয়ে – সন্তানসকল, কোনো দেহধাৰীক স্মৰণ নকৰি মোক স্মৰণ কৰা।

গীত: আখিৰ ৱহ দিন আয়া আজ..... (অৱশেষত সেই দিনটি আজি আহিল.....)

ওঁম্ শান্তি। ওঁম্ শান্তিৰ অৰ্থতো আত্মিক পিতাই সন্তানসকলক বুজাইছে। ‘ওঁম্’ মানে মই আত্মা আৰু এইটো মোৰ শৰীৰ। আত্মাকতো দেখা পোৱা নাযায়। আত্মাতেই ভাল বা বেয়া সংস্কাৰ থাকে। আত্মাতেই মন-বুদ্ধি আছে। শৰীৰত বুদ্ধি নাই। মুখ্য হৈছে আত্মা। শৰীৰতো মোৰ হয়। আত্মাক কোনেও চাব নোৱাৰে। শৰীৰক আত্মাই দেখে। আত্মাক শৰীৰে দেখা নাপায়। আত্মা ওলাই গ'লে শৰীৰ জড় হৈ যায়। আত্মাক দেখা পাব নোৱাৰি। শৰীৰক দেখা পোৱা যায়। সেইদৰে আত্মাৰ যি পিতা, যাক ‘হে ঈশ্বৰ পিতা’ বুলি কয় তেওঁকো দেখা পোৱা নাযায়, তেওঁক বুজিব পৰা যায়, জানিব পৰা যায়। আমি আত্মাসকল সকলো ভাই ভাই। শৰীৰত আহিলে ক'ব এওঁলোক ভাই ভাই, এওঁলোক ভাই-ভনী। আত্মা সকলোতো ভাই ভাইয়েই হয়। আত্মাসকলৰ পিতা হৈছে - পৰমপিতা পৰমাত্মা। শাৰীৰিক ভাই-ভনীয়ে ইজনে-সিজনক দেখা পাব পাৰে। আত্মাসকলৰ পিতা এজন, তেওঁক দেখা পোৱা নাযায়। গতিকে এতিয়া পিতা আহিছে, পুৰণি সৃষ্টিক নতুন কৰি তুলিবলৈ। নতুন সৃষ্টি সত্যযুগ আছিল। এতিয়া পুৰণি সৃষ্টি কলিযুগ, ইয়াক এতিয়া পৰিৱৰ্তন কৰিব লাগে। পুৰণি সৃষ্টিতো নাশ হ'ব লাগে নহয়। পুৰণি ঘৰ নাশ হৈ নতুন ঘৰ নিৰ্মাণ হয় নহয়, সেইদৰে এই পুৰণি সৃষ্টিও নাশ হ'ব লাগে। সত্যযুগৰ পাছত আকৌ ত্ৰেতা, দ্বাপৰ, কলিযুগ পুনৰ সত্যযুগ নিশ্চয় আহিব। বিশ্বৰ ইতিহাস-ভূগোল পুনৰাবৃত্তি হ'ব। সত্যযুগত হৈছে দেৱী-দেৱতাসকলৰ ৰাজ্য। সূৰ্যবংশী আৰু চন্দ্ৰবংশী, তেওঁলোকক কোৱা হয় লক্ষ্মী-নাৰায়ণৰ ৰাজবংশ, ৰাম-সীতাৰ ৰাজবংশ। এইটোতো সহজ হয় নহয়। পুনৰ দ্বাপৰ-কলিযুগত আৰু ধৰ্ম আহে। আকৌ দেৱতাসকল যি পৱিত্ৰ আছিল তেওঁলোক অপৱিত্ৰ হৈ যায়, ইয়াক কোৱা হয় ৰাৱণৰাজ্য। ৰাৱণক বছৰে বছৰে জ্বলাই আহিছে কিন্তু নজ্বলেই সেয়েহে বাৰে বাৰে জ্বলাই থাকে। ৰাৱণ হৈছে সকলোৰে ডাঙৰ শত্ৰু সেয়েহে ৰাৱণক জ্বলোৱাৰ নিয়ম হৈ গৈছে। ভাৰতৰ এক নম্বৰৰ শত্ৰু কোন? আৰু এক নম্বৰ মিত্ৰ, সদায় সুখ দিওঁতা হৈছে ভগৱান। ভগৱানক মিত্ৰ বুলি কয় নহয়। ইয়াৰ ওপৰত এটি কাহিনীও আছে। গতিকে ভগৱান হৈছে মিত্ৰ, ৰাৱণ হৈছে শত্ৰু। ভগৱান যি মিত্ৰ হয়, তেওঁক কেতিয়াও নজ্বলায়। ৰাৱণ হৈছে শত্ৰু সেয়েহে 10 শিৰধাৰী ৰাৱণ সাজি তাক বছৰে বছৰে জ্বলায়। গান্ধীজীয়েও কৈছিল - আমাক ৰামৰাজ্য লাগে। ৰামৰাজ্যত সুখ, ৰাৱণৰাজ্যত দুখ। এতিয়া এয়া কোনে বহি বুজায়? পতিত-পাৱন পিতাই। শিৱবাবা, ব্ৰহ্মা হৈছে দাদা। বাবাই সদায় স্বাক্ষৰো কৰে বাপদাদা বুলি। প্ৰজাপিতা ব্ৰহ্মাওতো সকলোৰে হৈ গ'ল। যাক আদম (আদি পুৰুষ) বুলি কোৱা হয়। তেওঁক গ্ৰেট গ্ৰেট গ্ৰেণ্ড ফাদাৰ বুলি কোৱা হয়। মনুষ্য সৃষ্টিত প্ৰজাপিতা হ'ল। প্ৰজাপিতা ব্ৰহ্মাৰ দ্বাৰা ব্ৰাহ্মণ ৰচনা কৰা হয় পুনৰ ব্ৰাহ্মণৰ পৰা দেৱতা হয়। দেৱতাসকলেই পুনৰ ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ হৈ যায়। এওঁক কোৱা হয় প্ৰজাপিতা ব্ৰহ্মা, মনুষ্য সৃষ্টিৰ জ্যেষ্ঠ। প্ৰজাপিতা ব্ৰহ্মাৰ কিমান অনেক সন্তান আছে। ‘বাবা বাবা’ বুলি কৈ থাকে। এওঁ হৈছে সাকাৰ বাবা। শিৱবাবা হৈছে নিৰাকাৰ বাবা। গায়নো কৰা হয় - প্ৰজাপিতা ব্ৰহ্মাৰ দ্বাৰা নতুন মনুষ্য সৃষ্টি ৰচনা কৰে। এতিয়া এয়া তোমালোকৰ পুৰণি ছাল (শৰীৰ)। এইখন হৈছেই পুৰণি সৃষ্টি, ৰাৱণৰাজ্য। এতিয়া ৰাৱণৰ আসুৰিক সৃষ্টি নাশ হৈ যাব। তাৰ বাবেই এয়া মহাভাৰতৰ যুদ্ধ। পুনৰ সত্যযুগত এই ৰাৱণ শত্ৰুক কোনেও নজ্বলাব। ৰাৱণ নাথাকিবই। ৰাৱণেহে দুখৰ সৃষ্টি ৰচিছে। এনেকুৱা নহয় যে যাৰ ধন বহুত আছে, ডাঙৰ ডাঙৰ মহল আছে, তেওঁলোক স্বৰ্গত আছে।

পিতাই বুজায়, যদিও কাৰোবাৰ ওচৰত কোটি আছে, কিন্তু এয়াতো সকলো মাটিত মিলি যাব। নতুন সৃষ্টিত আকৌ নতুন খনি ওলায়, যাৰ দ্বাৰা নতুন সৃষ্টিৰ মহল আদি সকলো নিৰ্মাণ কৰা হয়। এই পুৰণি সৃষ্টি এতিয়া নাশ হ'ব। মনুষ্যই ভক্তি কৰেই সংগতিৰ কাৰণে, আমাক পাৱন কৰি তোলক, আমি বিকাৰী হৈ গ'লোঁ। বিকাৰীক পতিত বুলি কোৱা হয়। সত্যযুগত হৈছেই শ্ৰেষ্ঠাচাৰী, সম্পূৰ্ণ নিৰ্বিকাৰী। তাত সন্তান যোগবলৰ দ্বাৰা জন্ম হয়, বিকাৰ তাত নাথাকেই। দেহ-অভিমানো নাথাকে কাম, ক্ৰোধ... 5 বিকাৰ নাথাকেই সেয়েহে তাত কেতিয়াও ৰাৱণক নজ্বলায়েই। ইয়াততো হৈছে

ৰাৱণৰাজ্য। এতিয়া পিতাই কয় - তোমালোক পৱিত্ৰ হোৱা। এই পতিত সৃষ্টি নাশ হৈ যাব যিসকল শ্ৰীমতত পৱিত্ৰ হৈ থাকে তেওঁলোকেই পিতাৰ মতত চলি বিশ্বৰ বাদশ্বাহীৰ উত্তৰাধিকাৰ লয়। এই লক্ষ্মী-নাৰায়ণৰ ৰাজ্য আছিল নহয়। এতিয়াতো হৈছে ৰাৱণৰাজ্য যি নাশ হৈ যাব। সত্যযুগী ৰামৰাজ্য স্থাপন হ'ব। সত্যযুগত বহুত কম মনুষ্য থাকে। ৰাজধানী দিল্লীয়ে থাকে। য'ত লক্ষ্মী-নাৰায়ণৰ ৰাজ্য হ'ব। দিল্লী সত্যযুগত পৰিস্তান আছিল। দিল্লীয়েই গাদী আছিল। ৰাৱণৰাজ্যতো দিল্লী ৰাজধানী, ৰামৰাজ্যতো দিল্লী ৰাজধানী হয়। কিন্তু ৰামৰাজ্যততো হীৰা মুকুতাৰ মহল আছিল। অপাৰ সুখ আছিল। এতিয়া পিতাই কয় - তোমালোকে বিশ্বৰ ৰাজ্য হেৰুৱাইছিলা, মই পুনৰ তোমালোকক দিওঁ। তোমালোক মোৰ মতত চলা। শ্ৰেষ্ঠ হ'ব লাগে গতিকে কেৱল মোক স্মৰণ কৰা অন্য কোনো দেহধাৰীক স্মৰণ নকৰিবা। নিজক আত্মা বুলি বুজি মোক পিতাক স্মৰণ কৰা তেতিয়া তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হৈ যাবাগৈ। তোমালোক মোৰ ওচৰলৈ গুচি আহিবা। মোৰ ডিঙিৰ মালা হৈ পুনৰ বিষ্ণুৰ মালা হৈ যাবা। মালাৰ ওপৰত মই আছোঁ আকৌ তাৰপাছত দুগৰাকী হৈছে ব্ৰহ্মা-সৰস্বতী। তেওঁলোকেই সত্যযুগৰ মহাৰজা-মহাৰাণী হয়। তেওঁলোকৰে আকৌ গোটেই মালা হয় যিসকল ক্ৰমানুসৰি গাদীত বহে। মই এই ভাৰতক এই ব্ৰহ্মা সৰস্বতী আৰু ব্ৰাহ্মণসকলৰ দ্বাৰা স্বৰ্গ কৰি তোলোঁ। যিসকলে পৰিশ্ৰম কৰে তেওঁলোকৰেই আকৌ স্মাৰক নিৰ্মাণ কৰে। সেয়া হৈছে ৰুদ্ৰ মালা আৰু সেয়া হৈছে বিষ্ণুৰ মালা। ৰুদ্ৰ মালা হৈছে - আত্মাসকলৰ আৰু বিষ্ণুৰ মালা হৈছে মনুষ্যৰ। আত্মাসকলৰ থকা স্থান হৈছে সেই নিৰাকাৰী পৰমধাম, যাক ব্ৰহ্মাণ্ড বুলিও কয়। আত্মা কোনো ডিম্বাকৃতিৰ নহয়, আত্মাতো বিন্দু সদৃশ। আমি সকলোবোৰ আত্মা সেই মৰমৰ ঘৰৰ নিবাসী। পিতাৰ লগত আমি আত্মাসকল থাকোঁ। সেয়া হৈছে মুক্তিধাম। সকলো মনুষ্যই বিচাৰে মুক্তিধামলৈ যাওঁ কিন্তু উভতি কোনো এগৰাকীও যাব নোৱাৰে। সকলোৱে ভূমিকাত আহিবই লাগে, তেতিয়ালৈকে পিতাই তোমালোকক তৈয়াৰ কৰাই থাকে। তোমালোক তৈয়াৰ হৈ গ'লে তেতিয়া যিসকল আত্মা আছে, তেওঁলোক সকলো আহি যাব। তাৰপাছত শেষ। তোমালোক গৈ নতুন সৃষ্টিত ৰাজত্ব কৰিবা পুনৰ ক্ৰমানুসৰি চক্ৰ চলিব। গীতটিত শুনিলা নহয় - অৱশেষত সেই দিনটি আজি আহিল..... তোমালোকে জানা যিসকল ভাৰতবাসী এতিয়া নৰকবাসী, তেওঁলোক পুনৰ স্বৰ্গবাসী হ'বগৈ। বাকী সকলো আত্মা শান্তিধামলৈ গুচি যাব। বহুত কমকৈ বুজাব লাগে। 'অল্ফ' (বাবা), 'বে' (বাদশ্বাহী)। 'অল্ফ'ৰ বাদশ্বাহী প্ৰাপ্ত হৈ যায়। এতিয়া পিতাই কয় - মই সেই ৰাজ্যই পুনৰাই স্থাপন কৰোঁ। তোমালোকে 84 জন্ম ভোগ কৰি এতিয়া পতিত হৈ গৈছা। পতিত কৰিলে ৰাৱণে। পুনৰ পাৱন কোনে কৰি তোলে? ভগৱান যাক পতিত-পাৱন বুলি কয়, তোমালোক কেনেকৈ পতিতৰ পৰা পাৱন, পাৱনৰ পৰা পতিত হোৱা, সেই গোটেই ইতিহাস-ভূগোল পুনৰাবৃত্তি হ'ব। এই বিনাশ হয়েই ইয়াৰ বাবে। কয় - ব্ৰহ্মাৰ আয়ুস শাস্ত্ৰত 100 বছৰ বুলি উল্লেখ আছে। এওঁ যি ব্ৰহ্মা হয়, য'ত বহি পিতাই উত্তৰাধিকাৰ দিয়ে, তেৰোঁ শৰীৰ এৰিব। আত্মাসকলক বহি, আত্মাসকলৰ যি পিতা হয় তেওঁ বুজায়। মনুষ্যই মনুষ্যক পাৱন কৰি তুলিব নোৱাৰে। দেৱতাসকল কেতিয়াও বিকাৰৰ দ্বাৰা জন্ম নহয়। পুনৰ্জন্মতো সকলোৱে লৈ আহিছে নহয়। পিতাই কিমান ভালদৰে বুজায় যে কেনেবাকৈ ভাগ্য উদয় হওক। পিতা আহেই মনুষ্য মাত্ৰৰ ভাগ্য উদয় কৰিবলৈ। সকলো পতিত দুখী হয় নহয়। ত্ৰাহি ত্ৰাহি কৰি বিনাশ হৈ যাব সেয়েহে পিতাই কয় – ত্ৰাহি ত্ৰাহি কৰাৰ পূৰ্বেই মোৰ অৰ্থাৎ বেহদৰ পিতাৰ পৰা উত্তৰাধিকাৰ লৈ লোৱা। জগতত এয়া যি কিছু দেখিবলৈ পোৱা, এই সকলোবোৰ নাশ হৈ যাব। ভাৰতৰ পতন, ভাৰতৰ উত্থান, ইয়াৰে খেল হয়। বিশ্বৰ উত্থান। স্বৰ্গত কোনে কোনে ৰাজত্ব কৰে, এয়া পিতাইহে বহি বুজায়। ভাৰতৰ উত্থান, দেৱতাসকলৰ ৰাজ্য, ভাৰতৰ পতন ৰাৱণৰাজ্য। এতিয়া নতুন সৃষ্টিৰ ৰচনা হৈ আছে। পিতাৰ পৰা পঢ়ি আছা নতুন সৃষ্টিৰ উত্তৰাধিকাৰ ল'বৰ কাৰণে। কিমান সহজ। এয়া হৈছে মনুষ্যৰ পৰা দেৱতা হোৱাৰ পঢ়া। এইটোও ভালদৰে বুজিব লাগে। কোনটো কোনটো ধৰ্ম কেতিয়া আহে, দ্বাপৰৰ পাছতহে অন্য অন্য ধৰ্মসমূহ আহে। প্ৰথমে সুখ ভোগ কৰে পাছত দুখ। এই গোটেই চক্ৰ বুদ্ধিত ধাৰণ কৰিবলগীয়া হয়। যাৰ দ্বাৰা তোমালোক চক্ৰৱৰ্তী মহাৰজা-মহাৰাণী হোৱা। কেৱল 'অল্ফ' আৰু 'বে'ক বুজিব লাগে। এতিয়া বিনাশতো হ'বই। হুলস্থূল ইমান হৈ যাব যে বিদেশৰ পৰা তেতিয়া আহিবও নোৱাৰিব সেয়েহে পিতাই বুজায় - ভাৰত ভূমি সকলোতকৈ উত্তম। ভীষণ যুদ্ধ লাগিব তেতিয়া য'ত আছিলা ত'তে থাকি যাব। 50-60 লাখ দিলেও কাচিৎহে আহিব পাৰিব। ভাৰত ভূমি সকলোতকৈ উত্তম য'ত পিতা আহি অৱতাৰ লয়। শিৱ জয়ন্তীও ইয়াত উদ্‌যাপন কৰা হয়। কেৱল শ্ৰীকৃষ্ণৰ নাম দি দিয়াৰ কাৰণে গোটেই মহিমাই শেষ হৈ গ'ল। সকলো মনুষ্য মাত্ৰৰ মুক্তিদাতা ইয়াতহে আহি অৱতাৰ লয়। শিৱ জয়ন্তীও ইয়াত উদ্‌যাপন কৰে। ঈশ্বৰ পিতাহে হয় যিয়ে আহি মুক্তি দিয়ে। গতিকে এনেকুৱা পিতাকহে নমন কৰিব লাগে, তেওঁৰহে জয়ন্তী উদ্‌যাপন কৰিব লাগে। সেইজন পিতা ইয়ালৈ ভাৰতত আহি সকলোকে পাৱন কৰি তোলে। গতিকে এয়া সকলোতকৈ ডাঙৰ তীৰ্থ হ'ল। সকলোকে দুৰ্গতিৰ পৰা মুক্ত কৰি সৎগতি দিয়ে, এই ড্ৰামা ৰচি থোৱা আছে। এতিয়া তোমালোক আত্মাসকলে জানা, আমাৰ বাবাই আমাক এই শৰীৰৰ দ্বাৰা এই ৰহস্য বুজাই আছে, মই আত্মাই এই শৰীৰৰ দ্বাৰা শুনোঁ। আত্ম-অভিমানী হ'ব লাগে। নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰা তেতিয়া মামৰ আঁতৰি গৈ থাকিব আৰু পৱিত্ৰ হৈ তোমালোক পিতাৰ ওচৰলৈ আহি যাবা। যিমানে স্মৰণ কৰিবা সিমানে পৱিত্ৰ হ'বা। অন্যকো নিজৰ সমান কৰি তুলিলে বহুতৰে আশীৰ্বাদ পাবা। উচ্চ পদ প্ৰাপ্ত

কৰিবা সেয়েহে গায়ন কৰা হয় চেকেণ্ডত জীৱনমুক্তি। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) শ্ৰীমতত পৱিত্ৰ হৈ, খোজে প্ৰতি পিতাৰ মতত চলি বিশ্বৰ বাদশ্বাহী ল'ব লাগে। পিতাৰ সমান দুখহৰ্তা, সুখকৰ্তা হ'ব লাগে।

(2) মনুষ্যৰ পৰা দেৱতা হোৱাৰ এই পঢ়া সদায় পঢ়িব লাগে। সকলোকে নিজৰ সমান কৰি তোলাৰ সেৱা কৰি আশীৰ্বাদ প্ৰাপ্ত কৰিব লাগে।

বৰদান: কল্যাণৰ বৃত্তি আৰু শুভচিন্তক ভাৱৰ দ্বাৰা বিশ্ব কল্যাণৰ নিমিত্ত হওঁতা তীব্ৰ পুৰুষাৰ্থী হোৱা

তীব্ৰ পুৰুষাৰ্থী সেইসকল যিসকলে সকলোৰে প্ৰতি কল্যাণৰ বৃত্তি আৰু শুভচিন্তক ভাৱ ৰাখে। কোনোবাই লাগিলে তোমালোকক বাৰে বাৰে অৱনমিত কৰাবলৈ চেষ্টা কৰক, মন অস্থিৰ কৰিবলৈ চেষ্টা কৰক, বিঘিনি ৰূপ হওঁক তথাপিও তোমালোকৰ যাতে তেওঁলোকৰ প্ৰতি সদায় শুভচিন্তকৰ অটল ভাৱ থাকে, কথাৰ কাৰণে যাতে ভাৱ সলনি নহয়। সকলো পৰিস্থিতিত বৃত্তি আৰু ভাৱ যথাৰ্থ হ'লে তেতিয়া তোমালোকৰ ওপৰত তাৰ প্ৰভাৱ নপৰিব। তেতিয়া কোনো ব্যৰ্থ কথা চকুতেই নপৰিব, সময় ৰাহি হৈ যাব। এয়াই হৈছে বিশ্ব কল্যাণকাৰী অৱস্থা।

শ্লোগান: সন্তুষ্টতা হৈছে জীৱনৰ অলংকাৰ, সেয়েহে সন্তুষ্টমণি হৈ সন্তুষ্ট হৈ থাকা আৰু সকলোকে সন্তুষ্ট কৰা।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: একতা আৰু বিশ্বাসৰ বিশেষত্বৰে সফলতা সম্পন্ন হোৱা

একমত অৰ্থাৎ একতাৰ বাতাৱৰণ সৃষ্টি কৰিবলৈ সমাহিত কৰাৰ শক্তি ধাৰণ কৰা। ভিন্নতা সমাহিত কৰি লোৱা। প্ৰত্যেকৰে বিশেষত্ব চোৱা, দুৰ্বলতাবোৰতো একেবাৰেই চাব নালাগে। যেনেকৈ চন্দ্ৰ বা সূৰ্যৰ গ্ৰহণ লাগিলে তেতিয়া কয় যে চাব নালাগে নহ'লে গ্ৰহণ লাগি যাব। গতিকে দুৰ্বলতাও হৈছে গ্ৰহণ, সেয়া কেতিয়াও চাব নালাগে।